**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-05-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত গুৱাহাটীৰ কলাক্ষেত্ৰত আজি পি এম এ ৱাই জিৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ কাৰ্যসূচী।

২। অসম সম্প্ৰতি দেশৰ এখন অগ্ৰণী ৰাজ্য হিচাপে উদ্ভাসিত হৈছে বুলি কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ প্ৰকাশ।

৩। অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ বীৰ সৈনিকসকলৰ বীৰগাঁথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি সেনাৰ অৱসৰপ্ৰাপ্ত বিষয়া ব্ৰিগেডিয়াৰ ৰনজিৎ বৰঠাকুৰৰ অভিমত।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি নিৰ্ভীক সাংবাদিক, মানৱাধিকাৰ কৰ্মী পৰাগ কুমাৰ দাসৰ ত্ৰিংশতিতম মৃত্যু দিৱস পালন।

***আৰু***

৫। এসপ্তাহৰ বিৰতিৰ পাছত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহ আজিৰেপৰা পুনৰ অনুষ্ঠিত।

০০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণৰ অধীনত আজি ৫৫ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ ল'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কৃষিমন্ত্ৰী অতুল বৰা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস এই অনুষ্ঠানত উপস্থিত থাকিব।

০০০০০০

অসম মন্ত্ৰীসভাই ৰাজ্যত তিনিতৰপীয়া পঞ্চায়ত গঠনত অনুমোদন জনাইছে। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে প্ৰকাশ কৰা অনুসৰি অহা ২১ জুনৰ পৰা ১০ জুলাইৰ ভিতৰত গাঁও পঞ্চায়তসমূহ গঠন কৰা হ'ব। ১১ জুলাইৰ পৰা ২০ জুলাইৰ ভিতৰত আঞ্চলিক পঞ্চায়ত আৰু ২১ জুলাইৰ পৰা ৩০ জুলাইৰ ভিতৰত জিলা পৰিষদসমূহ গঠন কৰা হ'ব। গাঁও পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতি নিৰ্বাচনৰ দিন ২১ জুনৰ পৰা ১০ জুলাইৰ ভিতৰত নিৰ্ধাৰণ কৰা হ'ব। ইয়াৰ বাবে ২১ জুনৰ পূৰ্বেই জিলা আয়ুক্তই অধিসূচনা জাৰি কৰি একোগৰাকীকৈ কৰ্তৃত্বশীল বিষয়া নিযুক্তি দিব। অহা ১ আগষ্টৰ পৰা পঞ্চায়তসমূহে কাৰ্যভাৰ গ্ৰহণ কৰিব।

০০০০০০

ৰাজ্যত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত হিতাধিকাৰীৰ মাজত ৰাজ সাহায্যযুক্ত খাদ্য শস্য বিতৰণ কৰাৰ বাবে অসম মন্ত্ৰীসভাই অনুমোদন জনাইছে। দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ সিদ্ধান্ত অনুসৰি

অহা অক্টোবৰৰ পৰা **বছা বছা** কেইখনমান জিলাৰ হিতাধিকাৰীৰ মাজত ৰাজ সাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ বিতৰণ কৰা হ'ব। সেই অনুসৰি হিতাধিকাৰীসকলে প্ৰতিকেজি মচুৰ দাইল ৬৯ টকা, চেনি ৩৮ টকা আৰু নিমখ ১০ টকা দৰত লাভ কৰিব।

অসমৰ দুগ্ধ উৎপাদন ক্ষেত্ৰক অধিক উজ্জীৱিত কৰি তোলাৰ লক্ষ্যৰে মন্ত্ৰীসভাই ৰাণীৰ ফাৰ্ম মেনেজমেণ্ট প্ৰতিষ্ঠানৰ ২০ বিঘা ভূমি আমূল কোম্পানীক লীজত দিয়াৰ বাবেও অনুমোদন জনাইছে।

অসমত ব্যক্তিগতখণ্ডৰ বিনিয়োগক উৎসাহিত কৰি নিয়োগৰ সুযোগ সৃষ্টিৰ বাবে মন্ত্ৰীসভাই আই আই পি এৰ অধীনত দুটাকৈ প্ৰস্তাৱত অনুমোদন জনায়। তদুপৰি ড° বাণীকান্ত কাকতি কম্পিউটাৰ সাক্ষৰতা কাৰ্যসূচীৰ অধীনত এহেজাৰ ৩১৩ গৰাকী অংশকালীন আই চি টি শিক্ষকৰ মাহিলী মাননী অহা অক্টোবৰৰ পৰা ২০ হাজাৰ টকালৈ বৃদ্ধিৰ বাবেও অনুমোদন জনোৱা হয়। মন্ত্ৰীসভাই তেওঁলোকক ৬০ বছৰ বয়সলৈ সেৱা প্ৰদানৰ নিশ্চয়তা দিয়ে। ইয়াৰ ফলত তেওঁলোক মুখ্যমন্ত্ৰী লোক সেৱক আৰোগ্য যোজনা, আপোন ঘৰ আৰু আপোন বাহন আঁচনিৰ বাবে যোগ্য বিবেচিত হ'ব। এই বৈঠকতে ডিব্ৰুগড় বিমান বন্দৰক ড° ভূপেন হাজৰিকাৰ নামত নামকৰণ কৰাৰ প্ৰস্তাৱো গ্ৰহণ কৰা হয়।

০০০০০০

অসম সম্প্ৰতি দেশৰ এখন অগ্ৰনি ৰাজ্য হিচাপে উদ্ভাসিত হৈছে বুলি কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰিছে। গুৱাহাটীৰ কইনাধৰাৰ অতিথিশালাত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত অসমত ড'নাৰ মন্ত্ৰালয়ৰ উন্নয়নমূলক কামকাজৰ খতিয়ান লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। ৰাজ্যখনৰ বিকাশৰ দিশত ড'নাৰ মন্ত্ৰালয়ে সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়োৱাৰ কথা উল্লেখ কৰি শ্ৰী সিন্ধিয়াই এই বিকাশৰ গতি ত্বৰান্বিত কৰাৰ দিশত তেওঁৰ মন্ত্ৰালয়ে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াই যাব বুলি মন্তব্য কৰে। বৈঠকত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে বিভিন্ন খণ্ডত লাভ কৰা অগ্ৰগতিৰে অসমে সম্প্ৰতি দেশৰ উন্নত ৰাজ্যসমূহৰ লগত সমানে ফেৰ মাৰিবলৈ সমৰ্থ হৈছে। ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ক্ৰমাগতভাৱে বৃদ্ধি পোৱাৰ কথা উল্লেখ কৰি ড০ শৰ্মাই অসমৰ বৰ্তমান মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ ১৪ শতাংশ বুলি উল্লেখ কৰে। তেওঁ কয়, যে ৰাজ্যত চলি থকা বিভিন্ন উন্নয়নমূলক কামকাজৰ বাবে শক্তিখণ্ডৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছে। এই প্ৰয়োজনীয়তা পূৰণৰ দিশত ৰাজ্য চৰকাৰে যাৱতীয় পদক্ষেপ গ্ৰহণৰ দিশত অগ্ৰসৰ হৈছে বুলি তেওঁ প্ৰকাশ কৰে। তদুপৰি প্ৰসূতিৰ মৃত্যুৰ হাৰ আৰু নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাসৰ দিশত ৰাজ্যখনে উল্লেখনীয় সফলতা অৰ্জন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ড'নাৰ মন্ত্ৰালয়ৰ দ্বাৰা বিভিন্ন প্ৰকল্পৰ বাবে আৱণ্টিত পুঁজিৰ সকলো ধন জনসাধাৰণ উপকৃত হ'ব পৰাকৈ ব্যয় কৰা হৈছে।

পৰ্যালোচনা বৈঠকত আন্তঃগাঁথনি, শক্তি আৰু সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত অধিক বিনিয়োগৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলত যোগান ব্যৱস্থা সু-শৃংখলিত কৰাৰ ৰূপৰেখা সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়।

০০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত ভাৰতীয় সেনাবাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লগ পাওঁ আহক ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধৰ আন এগৰাকী নায়ক গুৱাহাটীৰ সেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত বিষয়া ব্ৰিগেডিয়াৰ ৰনজিৎ বৰঠাকুৰ। ১৯৭৭ চনত সামৰিক বিষয়া হিচাপে যোগদান কৰি ১৯৮৪ চনৰ পৰা সেনাৰ চোৰাংচোৱা শাখাত নিয়োজিত বৰঠাকুৰে অপাৰেচন সিন্দূৰ সন্দৰ্ভত আমাৰ গুৱাহাটীৰ সংবাদদাতাৰ আগত এনেদৰে কয়-

*(বাইট)*

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ পলাশ চৌধুৰী আৰু অৱসৰপ্ৰাপ্ত কৰ্নেল দীপক চক্ৰৱৰ্তীৰ সৈতে অপাৰেচন সিন্দূৰ আৰু ভাৰতীয় সেনাবাহিনীৰ পৰাক্ৰমৰ বিষয়ে এটা বাৰ্তালাপ প্ৰচাৰ কৰিব। কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰা হ'ব। এই দুয়োটা অনুষ্ঠানৰে পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

৯ জুনত অসম বিধানসভাৰ এখন এদিনীয়া বিশেষ অধিবেশন আহ্বান কৰা হৈছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এই সন্দৰ্ভত এখন অধিসূচনা জাৰি কৰিছে।

০০০০০০

বিশিষ্ট সাংবাদিক, মানৱাধিকাৰ কৰ্মী পৰাগ কুমাৰ দাসৰ ত্ৰিংশতিতম মৃত্যু দিৱস আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হৈছে। মানৱাধিকাৰ সংগ্ৰাম সমিতিয়ে আজিৰ দিনটো ছহিদ দিৱস হিচাপে পালন কৰাৰ লগতে 'পৰাগ স্মৰণ' শীৰ্ষক এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। ইয়াৰ সৈতে সংগতি ৰাখি পৰাগ কুমাৰ দাস সতীৰ্থ মঞ্চই কাইলৈ বিশিষ্ট চিন্তাবিদ, ইতিহাসবিদ, অধ্যাপক উদয়াদিত্য ভঁৰালীক পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা প্ৰদান কৰিব। নিৰ্ভীক সাংবাদিক পৰাগ কুমাৰ দাসক সুঁৱৰি এয়া জ্যেষ্ঠ সাংবাদিক মনোৰম গগৈ –

(বাইট)

০০০০০০

এসপ্তাহৰ বিৰতিৰ পাছত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহ আজিৰেপৰা পুনৰ অনুষ্ঠিত হ'ব। আজি চেন্নাইৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে ভাৰত আৰু পাকিস্তানৰ মাজৰ বৰ্ধিত উত্তেজনাৰ পৰিপ্ৰেক্ষিতত যোৱা ৯ মে'ত আই পি এলৰ বাকী থকা খেলসমূহ সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। বি চি চি আয়ে তেতিয়াই এটা নতুন নিৰ্দেশনাৰ জৰিয়তে ম'হালি আৰু ধৰমশালাত এই প্ৰতিযোগিতাৰ পৰৱৰ্তী কোনো খেল অনুষ্ঠিত নহয় বুলি প্ৰকাশ কৰিছিল। যোৱা ৮ মে'ত খেল চলি থকা অৱস্থাত স্থগিত হোৱা পঞ্জাৱ কিংছ আৰু ডেলহি কেপিটেলছৰ মাজৰ খেলখন ২৪ মে'ত জয়পুৰত অনুষ্ঠিত হ'ব। আনহাতে ২৫ মে'ত হ'বলগীয়া ফাইনেল খেলখন ৩ জুনত অনুষ্ঠিত হ'ব। ফাইনেল খেলৰ স্থান পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব।

০০০০০০

News Paper REV.

পাকিস্তানক সমৰ্থন কৰা তুৰস্কৰ বিৰুদ্ধে ভাৰতৰ কঠোৰ স্থিতি গ্ৰহণ, চাইবাৰ আক্ৰমণ প্ৰতিৰোধৰ বাবে সকলো মন্ত্ৰালয়লৈ এন আই চিৰ সকীয়নি, বাংলাদেশক ব্যৱহাৰ কৰি ভাৰত বিৰোধী কাৰ্যকলাপেৰে পূৰ্বোত্তৰক অশান্ত কৰাৰ চীনৰ পৰিকল্পনা, অসম মন্ত্ৰীসভাৰ বৈঠকত ৰাজ সাহায্যযুক্ত খাদ্য বিতৰণত অনুমোদনকে ধৰি বিভিন্ন সিদ্ধান্ত গ্ৰহণ আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

ভাৰত আৰু পাকিস্তানৰ মাজৰ শেহতীয়া সংঘৰ্ষত তুৰস্কই পাকিস্তানৰ সমৰ্থনত থিয় দিয়াৰ পৰিপ্ৰেক্ষিতত ভাৰতে তুৰস্কই ৰপ্তানি কৰা ২৮০ কোটি ডলাৰৰ সামগ্ৰীৰ ব্যৱসায় বন্ধ কৰাৰ সিদ্ধান্ত লৈছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে আমাৰ অসম কাকতে **তুৰস্কৰ বিৰুদ্ধে বাণিজ্য যুদ্ধ** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

ভাৰত পাকিস্তান সংঘৰ্ষৰ পৰৱৰ্তী সময়ত দেশত প্ৰতিদিনে ৩০-৪০ বাৰকৈ চাইবাৰ আক্ৰমণ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি সকলো মন্ত্ৰ্যালয়ক চাইবাৰ সুৰক্ষাৰ নিয়ম কঠোৰভাৱে পালন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। দৈনিক জনমভূমি কাকতে বাতৰিটো মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ইপিনে দৈনিক অসম কাকতে চীনে বাংলাদেশক ব্যৱহাৰ কৰি ভাৰতৰ উত্তৰ-পূব প্ৰান্তক অস্থিৰ কৰাৰ পৰিকল্পনা ৰচাৰ এটা বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে।

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত হিতাধিকাৰীৰ মাজত ৰাজ সাহায্যযুক্ত খাদ্য বিতৰণ কৰাৰ বাবে অসম মন্ত্ৰীসভাই অনুমোদন জনাইছে। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

পঞ্চায়ত নিৰ্বাচন শেষ হোৱাৰ পাছতে অসম প্ৰদেশ কংগ্ৰেছ সমিতিয়ে পুনৰ সভাপতি সলনিৰ চৰ্চাৰ এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ইপিনে অসমীয়া খবৰ কাকতে এই নিৰ্বাচনত অভূতপূৰ্ব সফলতাৰ পাছত বিজেপিয়ে বিটিআৰ নিৰ্বাচনৰ বাবে প্ৰস্তুতি আৰম্ভ কৰাৰ বাতৰিটো মুখ্য বাতৰিৰ স্থান দিছে।

সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি স্পষ্ট কৰিবলৈ চৰকাৰে বিভিন্ন দেশলৈ প্ৰতিনিধি দল প্ৰেৰণ কৰিব। এই প্ৰতিনিধি দলে বিশ্বৰ সন্মুখত পাকিস্তানৰ পৃষ্ঠ পোষকতাত চলি থকা সন্ত্ৰাসবাদৰ ছবিখন দাঙি ধৰিব। দি আছাম ট্ৰিবিউন কাকতে বাতৰিটো মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দ্যা ছেণ্টিনেল কাকতে ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত ৰূপায়ণ হৈ থকা ড'নাৰ মন্ত্ৰ্যালয়ৰ বিভিন্ন প্ৰকল্পৰ পৰ্যালোচনা কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ সামগ্ৰিকভাৱে ডাৱৰীয়া হৈ থাকিব। লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা, নাগালেণ্ড, মিজোৰাম আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত